অসমকে আকৌ জাতি-ভাষাৰ অজুহাতত খণ্ড-বিখণ্ড কৰিবলৈ উঠি পৰি লাগিছে। ইয়াৰ ফলস্বৰূপে অদূৰ ভৱিষ্যতত আমি যে নিশকতীয়া হ'ম—ই সুস্পষ্ট। মন কৰিবলগীয়া এয়ে যে পৰাধীন ভাৰতবাসীয়ে স্বাধীনতা লাভ কৰিছিল একমাত্ৰ তেওঁলোকৰ মাজত থকা ঐক্যৰ বাবে। সেয়েহে এনে শক্তিৰ বিৰুদ্ধে জাতি-বৰ্ণ নিৰ্বিশেষ আমি সকলোৱে থিয় হোৱা অতি প্ৰয়োজন।

আজিৰ ছাত্ৰ সমাজে এক সূক্ষ্ম চিন্তাশক্তি আৰু গঠনমূলক দৃষ্টিভংগীৰে ভাঙনমুখী সমাজক একতাৰ ডোলেৰে বান্ধি প্ৰগতিৰ পথলৈ আগ বঢ়াই লৈ যোৱাৰ সময় আহি পৰিছে। সমাজ তথা দেশৰ অকল্যাণ বা ধ্বংস আনিব পৰা যি কোনো শক্তিক প্ৰতিহত কৰিবলৈ তেওঁলোক প্ৰস্তুত থাকিব লাগিব। ইয়াৰ বাবে তেওঁলোকৰ লাগিব একতা, আন্তৰিকতা, একাগ্ৰতা, ন্যায়প্ৰতিষ্ঠা আৰু সমাজ বা দেশৰ মঙ্গল আনিব পৰা মনোভাব। উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ত বিভিন্ন জন-গোষ্ঠীৰ ছাত্ৰ–ছাত্ৰীৰ সমাবেশ ঘটা সত্বেও তেওঁলোকৰ মিলা-প্ৰীতি বা মৈত্ৰীভাৱ সঁচাকৈয়ে প্ৰশংসনীয়। ভৱিষ্যতলৈ এই মৈত্ৰী ভাব ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অক্ষুণ্ণ থাকক ই আমাৰ কামনা।

বিগত কালছোৱাত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে আমাৰ মহান অনুষ্ঠানটিলৈ সেৱা আগবঢ়োৱাত মই কিমান দূৰ সফলতা অৰ্জন কৰিছোঁ সেইটো আপোনালোকৰ বিচাৰ্য্য। কিন্তু এই কালছোৱাত মোৰ কাৰ্যৰ খতিয়ান এটি অকপটে দাঙি ধৰিছোঁ।

উল্লেখনীয় যে শিক্ষাৰ্থীসকলৰ প্ৰতিভা আৰু দক্ষতাৰ বিকাশৰ সুবিধা দিয়াৰ উদ্দেশ্যে প্ৰতি-বছৰে 'মহাবিদ্যালয় সপ্তাহ' পালন কৰা হয়। মোৰ কাৰ্যকালছোৱাতো এই মহৎ উদ্দেশ্য আগত ৰাখি ৫-১-৯৪ ইং তাৰিখৰ পৰা ১২-১-৯৪ ইং তাৰিখলৈ মহাবিদ্যালয়ত আকৰ্ষণীয় কাৰ্য্য-সূচীৰে 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰা হয়। কাৰ্য্য-সূচী অনুসৰি প্ৰথমদিনা পতাকা উত্তোলনেৰে মহাবিদ্যালয়ৰ এই বাৰ্ষিক উৎসৱৰ শুভাৰম্ভ কৰে অধ্যক্ষ তথা একতা সভাৰ সভাপতি মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে। শেষৰ দিনা মাননীয় অধ্যক্ষৰ সভাপতিত্বত বঁটা বিতৰণী সভাৰে উৎসৱৰ সামৰণি মৰা হয়। উক্ত সভাত প্ৰাক্তন সংসদ সদস্য শ্ৰীযুত অজিত কুমাৰ শৰ্মা আৰু কটন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা শ্ৰীযুত ভুৱনেশ্বৰী বৈশ্যই ক্ৰমে মুখ্য অতিথি আৰু বিশিষ্ট অতিথিৰ আসন অলস্কৃত কৰে। তেওঁলোকৰ সাৰুৱা ভাষণে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰে। এই ছেগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ মই তেখেতসকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আন আন বছৰৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ–ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দই মিলি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী আই বীণাপাণিৰ শ্ৰীচৰণত পুষ্পাৰ্ঘ্য নিবেদন কৰে। তদুপৰি মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ তিৰোভাৱ তিথিত ভাগৱত পাঠৰ লগতে বিভিন্ন কাৰ্য্য-সূচী পালন কৰা হয়। উক্ত তিথিত

আমাৰ নিমন্ত্ৰণ গ্ৰহণ কৰি কাৰ্য্য-সূচী অনুসৰি ভাগৱত পাঠ কৰি আমাক কৃতাৰ্থ কৰা বাবে মাননীয় শ্ৰীযুত দয়াল চৌধুৰীদেৱলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। ইয়াৰ পিছত বিভিন্ন কাৰ্য্য-সূচীৰে হজৰত মহম্মদৰ জন্মতিথি 'ফাতেহা-ই-দোৱাজ দাহাম' মহাবিদ্যালয়ত পালন কৰা হয়।

এইবেলিও মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ উদ্যোগত শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হয়। এই পূজা সমাপন কৰা কাৰ্যত বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকলৰ সহায়-সহযোগ মই আন্তৰিকতাৰে শলাগিছোঁ।

উল্লেখযোগ্য যে ১৯৯৪-৯৫ ইং শিক্ষা বৰ্ষত আমাৰ মহাবিদ্যালয়লৈ অহা নবীন ছাত্ৰ-ছাত্ৰী-সকলক আনুষ্ঠানিকভাবে আদৰণি জনাবলৈ যোৱা ৭-১০-৯৪ ইং তাৰিখে নৱাগত আদৰণি সভা বৰ উলহ-মালহেৰে পতা হয়। দিন জোৰা কাৰ্য্য সূচীৰে অনুষ্ঠিত হোৱা এই সভাৰ দিনাও কটন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা শ্ৰীযুতা ভুৱনেশ্বৰী বৈশ্য মহোদয়াই তেখেতৰ পিতৃ ৺কল্পনাৰায়ণ মজুমদাৰৰ স্মৃতিত দান দিয়া ৺কল্পনাৰায়ণ মজুমদাৰ নৃত্য ভৱন'টিৰ শুভ উদ্বোধন কৰা হয়। উক্ত ভৱন উদ্বোধন কৰে প্ৰফেচৰ এমেৰিটাছ মাননীয় শ্ৰীযুত মাধৱ চন্দ্ৰ গোস্বামীদেৱে। মহাবিদ্যালয়লৈ উক্ত ভৱনটি দান কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মহৎ উপকাৰ সাধন কৰা বাবে মাননীয়া ভুৱনেশ্বৰী বাইদেউৰ ওচৰত আমি চিৰকৃতজ্ঞ। মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত মুখ্য অতিথিৰ আসন গ্ৰহণ কৰি তেখেতৰ বহুমূলীয়া ভাষণেৰে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰা বাবে মাননীয় ড° কুলেন্দু পাঠক মহোদয়লৈ আমাৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সভাৰ বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰিত শ্ৰীযুত ঈন্দ্ৰ বণিয়াই উপস্থিত থকাৰ প্ৰতিশ্ৰুতি দিও উপস্থিত নথকাত আমি অতি দুঃখিত। যি হওক আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি সভাত উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰা প্ৰতিগৰাকী সদাশয় ব্যক্তিলৈ আমাৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ইয়াৰোপৰি বিভিন্ন সময়ত খ্যাতনামা ব্যক্তি সকলৰ মৃত্যুত শোক সভা পতা হয় আৰু বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়। এই খিনিতে উল্লেখ কৰিব পাৰি যে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক স্মাৰক পত্ৰৰ জৰিয়তে জনোৱা দাবী মৰ্মে ২৬-১১-৯৪ ইং তাৰিখে বহা একতা সভাৰ কাৰ্য-নিৰ্বাহক সভাত একতা সভাৰ সংবিধানখনৰ দশম অনুচ্ছেদটো সংশোধন কৰা হয়।

**অভাৱ-অভিযোগ**—আমাৰ মহাবিদ্যালয়ত কৈ শেষ কৰিব নোৱাৰা অভাৱ আছে যদিও সততে দৃষ্টি আকৰ্ষণ কৰিব পৰা অভাৱ-সমূহক বিভিন্ন সভাৰ জৰিয়তে কৰ্তৃপক্ষৰ কৰ্ণ গোচৰ কৰাৰ উপৰিও এখন স্মাৰক পত্ৰৰ জৰিয়তে সেই অভাৱসমূহ দূৰ কৰিবলৈ দাবী জনোৱা হৈছিল। কিন্তু ছাত্ৰ-ছাত্ৰীসকলে আজিও নানা

অভাৱৰ মাজত থাকি শিক্ষা জীৱন অতিবাহিত কৰিবলগীয়া হোৱাটো অকল পৰিতাপৰ বিষয় নহয়, দুৰ্ভাগ্যজনকো। এই প্ৰতিবেদনত মুখ্য অভাৱ কেইটামান সংক্ষেপে তলত উল্লেখ কৰা হ'ল—

১। শ্ৰেণী কোঠাৰ অভাৱ, ২। বিজ্ঞান শাখাত বিজুলীৰ অভাৱ, ৩। জিৰণি কোঠাৰ অভাৱ, ৪। পুথিভঁৰালত পঢ়া কোঠাৰ অভাৱ, ৫। প্ৰয়োজন অনুসৰি 'প্ৰধান বিষয়' ( Major subjects ) যথেষ্ট নোহোৱা ৬। প্ৰেক্ষাগৃহৰ অভাৱ, ৭। উপযুক্ত চাইকেল আস্থান আৰু মহাবিদ্যালয়ৰ সৌন্দৰ্য বৰ্দ্ধনকাৰী এখন গেট্।

এই সুযোগতে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰোঁ যে উপৰোক্ত অভাৱসমূহ সহানুভূতিশীল মনোভাৱেৰে দূৰ কৰিবলৈ চেষ্টা কৰে যেন। লগতে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ বিনম্ৰ অনুৰোধ এয়ে যে উক্ত অভাৱসমূহ দূৰ কৰাৰ ক্ষেত্ৰত তেওঁলোকে যেন কৰ্তৃপক্ষক বিভিন্ন দিশত পাৰ্য্যমানে সহায়-সহযোগ আগবঢ়ায়।

সদৌ শেষত মোৰ কাৰ্যকালছোৱাত বিভিন্ন দিশত মোক দিহা-পৰামৰ্শ দি সহায় কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু অধ্যাপক-অধ্যাপিকাৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে ছাত্ৰ একতা সভাৰ সতীৰ্থসকল প্ৰমুখ্যে ছাত্ৰবন্ধু লোহিত, পংকজ, সত্যজিৎ, দেৱজিৎ, অমিতাভ, গোবৰ্দ্ধন, কন্দৰ্প, বিজয়, নয়ন, জয়, মিজানুৰ, সঞ্জীব আৰু ছাত্ৰী বান্ধৱী, শিল্পী, অনিতা, নিজৰা, কৃষ্ণা, জুনুমণি, বৰ্ণালী, ৰবী, মণি, হীৰা, দীপাঞ্জলি, অৰুণ, বাসনা, ছায়া, মাহী আৰু মামণিলৈ মোৰ কাম-কাজত সহায়-সহযোগ আগবঢ়োৱা বাবে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আনহাতে সকলো সময়তে সহায়-সহযোগ আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ কাৰ্য্যালয় সহায়কসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

সামৰণিত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি আৰু সকলোৰে ওচৰত মোৰ কাৰ্যকালছোৱাত জ্ঞাত-অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ।

এম, আবিদুৰ ৰহমান
সাধাৰণ সম্পাদক,
ছাত্ৰ একতা সভা, ১৯৯৩-৯৪ ইং চন

—:☆:—



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক বিপুল ভোটত জয়যুক্ত কৰি সাংস্কৃতিক সম্পাদকৰ গুৰু দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰা বাবে সমূহ ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধবীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কৃষ্টি-সংস্কৃতি হ'ল জাতি এটাৰ প্ৰাণ। ইয়াৰ অবিহনে কোনো জাতি জীয়াই থকা অসম্ভৱ। ইয়াৰ জৰিয়তে এটা জাতিৰ পৰিচয় পাব পাৰি। মুঠতে নৃত্য-গীত, সুকুমাৰ কলা আদি জাতি এটাৰ স্বাক্ষৰবহনকাৰী প্ৰতীক। এই নৃত্য-গীত, সুকুমাৰ কলা আদিৰ চৰ্চাই জাতিটোৰ অতীত কীৰ্তি উপলব্ধিত সহায় কৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি সচেতন হোৱা আৱশ্যক। অধ্যয়নৰ যোগেদি জ্ঞান অৰ্জন কৰাৰ উপৰিও তেওঁলোকে নৃত্য-গীত আদি চৰ্চাৰ চৰ্চা কৰা উচিত। নৃত্য-গীত আদি চৰ্চাৰ জৰিয়তে তেওঁলোকে তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশ লাভ কৰাৰ সুবিধা গ্ৰহণ কৰাৰ উপৰিও জীৱনত আত্ম প্ৰতিষ্ঠা লাভ কৰিব পাৰে। এই উদ্দেশ্যে তেওঁলোকে নিয়মিতভাৱে সঙ্গীত চৰ্চা কৰা দৰকাৰ।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হৈছিল। 'মহাবিদ্যালয় সপ্তাহ'ত সাংস্কৃতিক বিভাগৰ ফালৰ পৰা গীত-মাত আদিৰ বিভিন্ন প্ৰতিযোগিতা পতা হয়। তিনিদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত প্ৰতিযোগিতা সমূহত যথেষ্টসংখ্যক প্ৰতিযোগীৰ উৎসাহজনক সঁহাৰিয়ে প্ৰতিযোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই খিনিতে প্ৰতিযোগীসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি বিচাৰক মণ্ডলীয়ে আমাৰ কাৰ্যসূচী চলাই নিয়াত সহায় কৰা বাবে তেওঁলোকলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ত ২০ আগষ্ট তাৰিখে ফাতেহা-ই দোৱাজ-দাহম' বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা হয়। আনহাতে আমাৰ বিভাগৰ ফালৰ পৰাও মহাবিদ্যালয়ত শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি পালন উপলক্ষে শঙ্কৰদেৱৰ গুণানুকীৰ্তনৰ লগতে বৰগীত,

লোকগীত আৰু গজল প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

আন আন বছৰৰ দৰে মোৰ কাৰ্যকালছোৱাতো গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে যোগদান কৰে। সাংস্কৃতিক বিষয়ৰ অন্তৰ্ভুক্ত বিভিন্ন কাৰ্যসূচীত আমাৰ দলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতা-সমূহত আমি কোনো স্থান লাভ কৰিব নোৱাৰিলেও সকলোৰে প্ৰশংসা পাবলৈ সক্ষম হওঁ।


সাংস্কৃতিক সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰাই মই বিভিন্ন অভাৱ অভিযোগৰ সন্মুখীন হ'ব লগা হয়। এইবেলি দুবিধ বাদ্যযন্ত্ৰ মেণ্ডলিন আৰু ঢুলকী লোৱা হয় যদিও উক্ত বাদ্যযন্ত্ৰখিনিৰ লগতে উন্নত মানৰ গীতাৰ, মাৰ্কাচ আদি থকা অতি প্ৰয়োজন। আনহাতে সাংস্কৃতিক বিভাগৰ গীত-মাত আদিৰ অনুশীলনৰ বাবে এটা অছুতীয়া কোঠাৰ আৱশ্যক। তদুপৰি মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠান সমূহ পৰিবেশন কৰিবলৈ এটা প্ৰেক্ষাগৃহৰ অভাৱ। আশাকৰোঁ, পৰৱৰ্তী কালৰ সম্পাদকসকলে এই অভাৱ সমূহ আঁতৰ কৰাৰ দিশত মনোযোগ দিব।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰূপে কামসমূহ চলাই নিয়াৰ বিভিন্ন দিশত দিহা-পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ, মোৰ চিৰ নমস্য মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ, তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত দিলীপ কুমাৰ দাস আৰু অধ্যাপক মাননীয় শ্ৰীযুত প্ৰাণেশ্বৰ নাথলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ কাৰ্যকালৰ প্ৰতিটো মুহূৰ্ততে মোলৈ সহায়-সহযোগিতা আগবঢ়োৱা বাবে জগত, বেদান্ত, প্ৰদীপ, বিপুল, লোহিত, শেখৰ, পংকজ, কন্দৰ্প, দেৱজিৎ, হীৰামণি, নিজৰা, কৃষ্ণা, বৰ্ণালী, কামিনী, তাহিৰা, হীৰা দেৱী আদি বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা কিবা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু আমাৰ মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰিলোঁ।

**শ্ৰীবদন দাস**
সম্পাদক, সাংস্কৃতিক বিভাগ।

—:★:—



# ক্ৰীড়া বিভাগৰ

## সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মোক মনোনীত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীক মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

বৰ্তমান যুগত খেলৰ গুৰুত্ব বৰ বেছি। খেল কেৱল আনন্দৰ বাবেই নহয়,—ইয়াক শিক্ষাৰ এটি অংগ বুলিবও পাৰি। কোৱা বাহুল্য যে শিক্ষা আহৰণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক সুস্থতাৰ অতি প্ৰয়োজন। খেলা-ধূলাই এই শাৰীৰিক আৰু মানসিক সুস্থতা অনাত যথেষ্ট অৰিহণা যোগায়। আনহাতে খেলৰ জৰিয়তে শাৰীৰিক উৎকৰ্ষ সাধনৰ লগতে মানসিক উৎকৰ্ষ সাধনো হয়। তদুপৰি খেল-ধেমালিয়ে বিভিন্ন জাতি বা গোষ্ঠীৰ খেলুৱৈৰ মাজত মিলা-প্ৰীতিৰ ভাৱ আৰু শৃঙ্খলা বজাই ৰখাত সহায় কৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে কেৱল পাঠ্যক্ৰমৰ মাজত নিজক আৱদ্ধ কৰি নাৰাখি বিভিন্ন খেল-ধেমালিত অংশগ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱা উচিত। আশাকৰোঁ, ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালিত সক্ৰিয় অংশ গ্ৰহণ কৰি পাৰদৰ্শিতা দেখুওৱাৰ উপৰিও নিজক প্ৰতিষ্ঠা কৰাৰ সুযোগকণ গ্ৰহণ কৰিব।

আন আন বছৰৰ দৰে এই বছৰো মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। একতা সভাৰ ক্ৰীড়া বিভাগৰ দ্বাৰাও বিভিন্ন খেলৰ প্ৰতিযোগিতা পতা হয়। খেল পথাৰত খেলুৱৈৰ সংখ্যা সন্তোষজনক নাছিল যদিও উপস্থিত থকা খেলুৱৈকে ধৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যথেষ্ট উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছিল। স্বীকাৰ্য যে খেলুৱৈসকলে খেলৰ প্ৰতিযোগিতা সমূহত স্বকীয় প্ৰতিভা দেখুৱাব পাৰিছে। মহাবিদ্যালয়ত খেলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা নথকা সত্বেও খেলত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে নিজৰ যোগ্যতা দেখুৱাবলৈ সমৰ্থ হৈছে। ভৱিষ্যতে অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ পালে জিলা তথা ৰাজ্যিক পৰ্যায়ত খেলিব পৰা খেলুৱৈ আমাৰ মাজৰ পৰা ওলাব বুলি আশা কৰিব পাৰি।

এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আন্তঃ মহাবিদ্যালয় ক্ৰিকেট, ফুটবল আৰু ভলীবল

আৰু ভলীবল টুৰ্ণামেণ্ট অনুষ্ঠিত হৈছিল যদিও বাতৰি কাকতত কিছু ভুলকৈ প্ৰকাশ হোৱাৰ বাবে ক্ৰিকেট প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে যোগদান কৰিব নোৱাৰিলে। আনহাতে ফুটবল আৰু ভলীবলৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ সুদক্ষ খেলুৱৈৰ সংখ্যা সীমিত হোৱা হেতুকে যোগদান কৰিব পৰা নহ'ল।

মোৰ কাৰ্য্যকালত বিভাগীয় সম্পাদকৰ অভিজ্ঞতাৰ পৰা মই কওঁ যে "মহাবিদ্যালয় সপ্তাহ'ৰ দিন কেইটাৰ বাহিৰে আন দিনবোৰত ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালিৰ চৰ্চা নকৰে বা তাৰ সুবিধাকণ পোৱা নাই। মই আশা কৰোঁ যে ভৱিষ্যতে খেলৰ যথোচিত সুবিধা বৃদ্ধি পাব আৰু পৰৱৰ্তী সম্পাদকসকলেও এই দিশত মনোযোগ দিব।

মোৰ কাৰ্যকালছোৱাত মোৰ কৰ্ত্তব্য আৰু দায়িত্ব পালনত মোক সকলো দিশৰ পৰা দিহা-পৰামৰ্শ আৰু সহায়-সহানুভূতি আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু খেল বিভাগৰ তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত মদন চন্দ্ৰ কাকতিদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰি শিক্ষাগুৰু মাননীয় অৰুণী কুমাৰ দাস, দ্বিজেন দাস, দিলীপ দাস আৰু মাননীয়া বিজয়া ডেকালৈ মোৰ পৰম শ্ৰদ্ধা ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে সকলো সময়তে পদে পদে সহায়-সহযোগ আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সকলো সদস্যৰ উপৰিও শ্ৰীপংকজ মহন্ত, বিজয় ছেত্ৰী, বেদান্ত ডেকা, গোলাপ দাস, খৰ্গেশ্বৰ ৰাভা, ৰঞ্জিত বড়ো আৰু হামিদ আলীলৈ মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা থাকিল।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ ধন্যবাদ জ্ঞাপন কৰি আৰু সকলোৰে ওচৰত অনিচ্ছাকৃতভাবে কৰা কিবা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি আৰু লগতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ দীৰ্ঘদিনীয়া উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**শ্ৰীবিষ্ণু পড়োৱাল ছেত্ৰী**
সম্পাদক, ক্ৰীড়া বিভাগ,
১৯৯৩-৯৪ চন।



# তর্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ বাবে ছাত্ৰ একতা সভাৰ নিৰ্বাচনত 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰ সম্পাদকৰ পদৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰিব খোজা সকলো প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰসমূহ নাকচ হোৱাত উক্ত পদটিৰ বাবে নিৰ্বাচন নহয়। গতিকে নৱ গঠিত কাৰ্যকৰী সমিতিৰ প্ৰথমখন বৈঠকতে মোক উক্ত পদটিৰ বাবে মনোনীত কৰা হয়। এই ছেগতে 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ মোক দিয়া বাবে সাধাৰণ সম্পাদক প্ৰমুখ্যে একতা সভাৰ সমূহ সদস্য-সদস্যালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কোনোবা এজন পণ্ডিতে কৈছিল যে সাক্ষৰতা আৱশ্যকীয়, কিন্তু শিক্ষাৰ লগত যদি জ্ঞানৰ সংযোগ নাথাকে তেন্তে তেনে শিক্ষা অভিশাপ স্বৰূপহে হয়। সেয়ে অকল শিক্ষানুষ্ঠান এখনৰ ঠেক গণ্ডিৰ মাজত অৰ্জন কৰা পুথিগত জ্ঞানেৰে আজিৰ এই গতিশীল জগতত সফলতাৰে আগবাঢ়িব পৰা নাযায়। সেয়ে সকলো পিনেদি নিজক সু-শিক্ষিত কৰি গঢ়ি তুলিব লাগিলে ছাত্ৰ-ছাত্ৰীসকলে পুথিগত বিদ্যাৰ উপৰিও জ্ঞান আহৰণৰ আন দিশতো সক্ৰিয় অংশ গ্ৰহণ কৰিব লাগিব। তেতিয়াহে শিক্ষাৰ পূৰ্ণাঙ্গপ্ৰাপ্ত হোৱা বুলি ক'ব পাৰি আৰু ভৱিষ্যতে তেওঁলোকে নিজক সু-নাগৰিক কৰি গঢ়ি তুলিব পাৰিব আৰু প্ৰয়োজন হ'লে দেশৰ নেতৃত্বও বহন কৰিব পাৰিব।

স্বীকাৰ্য যে বৰ্ত্তমান যুগত ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন দিশত দ্ৰুত পৰিৱৰ্তনে দেখা দিছে। ফলস্বৰূপে সামাজিক পৰিৱেশো বৰ জটিল হৈ পৰিছে। এনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃত শিক্ষা আহৰণ কৰি সমাজত নিজক প্ৰতিষ্ঠা কৰা বৰ টান যদিও মনোবল, একাগ্ৰতা, অধ্যয়ন, কৰ্তব্যপৰায়ণতা আদি সদগুণেৰে নিজ উদ্দেশ্য সাধনৰ পথত আগবাঢ়িলে সফলতা অৰ্জন কৰিব পাৰিব। কোৱা বাহুল্য যে আমাৰ প্ৰত্যেকৰে এক বিশেষ গুণ বা স্বকীয় প্ৰতিভা নথকা নহয়। কিন্তু সুযোগ আৰু অনুশীলনৰ অভাৱত আমাৰ সুপ্ত প্ৰতিভা বিকাশ লাভ কৰিব নোৱাৰে। সেয়ে প্ৰত্যেকৰে প্ৰতিভা বিকাশ লাভ কৰোৱাত সুবিধা আগবঢ়োৱা হয় মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাসমূহৰ যোগেদি। ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন দিশত নিজ নিজ পাৰদৰ্শিতা

দেখুৱাবলৈ প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰি সুযোগ ল'ব লাগে। আশাকৰোঁ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে এনে সুযোগ ল'বলৈ সদায় যত্নপৰ হ'ব।

মহাবিদ্যালয় সপ্তাহত আমাৰ 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰদ্বাৰা তৰ্ক, আকস্মিক বক্তৃতা, ইংৰাজী কবিতা আবৃত্তি, অসমীয়া কবিতা আবৃত্তি, বক্তৃতা, কুইজ আদি বিভিন্ন বিষয়ত এলানি প্ৰতিযোগিতা অনুষ্ঠিত হয়। অপ্ৰিয় সত্য হলেও কব লাগিব যে আমাৰ মহাবিদ্যালয়ত প্ৰতিযোগীৰ সংখ্যা সিমান সন্তোষজনক নহয়। ভৱিষ্যতে উক্ত প্ৰতিযোগিতাসমূহত সৰহ সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিব বুলি আশা কৰোঁ। মনত ৰখা প্ৰয়োজন যে পুৰস্কাৰ পোৱাতকৈ অংশগ্ৰহণ কৰাটোহে বেছি দৰকাৰী কথা। মহাবিদ্যালয়ত 'ফাতেহা দোৱাজ' উপলক্ষে অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ লগতে আকস্মিক বক্তৃতা প্ৰতিযোগিতাও পতা হয়।

সম্পাদক হিচাপে মোৰ কৰ্ত্তব্য আৰু দায়িত্ব পালনত প্ৰত্যক্ষ বা পৰোক্ষভাবে মোক সহায় কৰা আৰু সু-পৰামৰ্শ দিয়াৰ বাবে মোৰ চিৰ নমস্য শিক্ষাগুৰু তথা তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত দ্বিজেন দাসদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ কামৰ বিভিন্ন দিশত মোলৈ সহায়-সহযোগ আগবঢ়োৱাৰ উপৰিও কামৰ সফল ৰূপায়ণত অনুপ্ৰেৰণা জগোৱা বাবে মোৰ প্ৰিয় বন্ধু-বান্ধৱীলৈ মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সামৰণিত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলোঁ।

শ্ৰীপ্ৰণৱ বৈশ্য
সম্পাদক,
'তৰ্ক আৰু আলোচনা চক্ৰ'

—:★:—

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাততনি মেলাৰ আগতে উল্লেখ কৰিব লাগিব যে ১৯৯৩-৯৪ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ বাবে মোৰ ছাত্ৰ বন্ধু শ্ৰীধীৰাজ পাটোৱাৰী নিৰ্বাচিত হয়। কিন্তু তেওঁৰ শাৰীৰিক অসুস্থতাৰ বাবে উক্ত পদটিৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাত মহাবিদ্যালয়ৰ নৱগঠিত কাৰ্যকৰী সমিতিয়ে উক্ত পদটিৰ বাবে মোক মনোনীত কৰে। সেয়ে ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়া বাবে মই সমিতিৰ সমূহ সদস্য সদস্যালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয় সপ্তাহত ছাত্ৰ জিৰণি কোঠাৰ ফালৰ পৰা কেৰম, বেডমিণ্টন, দবা আদি বিভিন্ন খেলৰ প্ৰতিযোগিতা পতা হয়। সম্পাদক হিচাপে উক্ত খেলসমূহ চলাই নিয়াত যদিও প্ৰথমতে অলপ অসুবিধাৰ সন্মুখীন হৈছিলোঁ, তথাপি মোৰ ছাত্ৰ বন্ধু ৰমেন, উৎপল, বিৰিঞ্চি, সঞ্জীৱ আৰু গৌতমৰ সহায়-সহযোগিতাত সেই অসুবিধাখিনি আঁতৰ হৈছিল আৰু খেলসমূহ ভালদৰে অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা সন্তোষজনক আছিল। বঁটা বিতৰণী সভাত বিজয়ীসকললৈ বঁটা প্ৰদান কৰা হৈছিল। বিজিতসকলকো পুৰস্কৃত কৰা হৈছিল। আশাকৰোঁ, ভৱিষ্যতে আৰু অধিক সংখক প্ৰতিযোগীয়ে খেলসমূহত অংশ গ্ৰহণ কৰি নিজ নিজ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হ'ব আৰু আন্তঃমহাবিদ্যালয় খেলসমূহৰ প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰিব পাৰিব।

উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ ছাত্ৰৰ সংখ্যা প্ৰতিবছৰে বঢ়াৰ লগে লগে খেলুৱৈৰ সংখ্যাও বৃদ্ধি পায়। সেই অনুপাতে মহাবিদ্যালয়ত খেলৰ সামগ্ৰীসমূহৰ সংখ্যা কম। সেই কাৰণে ছাত্ৰ-ছাত্ৰীসকলে অনুশীলন কৰাৰ সুবিধা নাপায়। ফলস্বৰূপে তেওঁলোকে সম্পাদকজনৰ ওচৰত আপত্তি তোলে। গতিকে ছাত্ৰ-ছাত্ৰীৰ বৰ্দ্ধিত সংখ্যাৰ অনুপাতে খেলৰ সামগ্ৰীৰ সংখ্যা বৃদ্ধি কৰিবলৈ মই এই প্ৰতিবেদনৰ জৰিয়তে কৰ্তৃপক্ষক অনুৰোধ কৰিলোঁ।

মোৰ কাৰ্যকালছোৱাত মোক সকলোপিনেদি

দিহা-পৰামৰ্শ দি মোৰ কৰ্ত্তব্য আৰু দায়িত্ব পালনত সহায় কৰা বাবে তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীযুত যুগল কিশোৰ নাথদেৱৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে কাৰ্যকৰী সমিতিৰ সমূহ সদস্য-সদস্যা আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ তেওঁলোকৰ সহায়-সহযোগৰ কাৰণে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা কিবা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

॥ ধন্যবাদ ॥

**শ্ৰীসঞ্জীৱ শৰ্মা**

সম্পাদক,

ছাত্ৰ জিৰণি কোঠা

—:★:—



# সমাজ সেৱা বিভাগৰ

## সম্পাদকৰ প্ৰতিবেদন

জয়ভয়াতে বকো জৱাহৰলাল নেহৰু মহা-
বিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰা বাবে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ বিভাগীয় প্ৰতিবেদনৰ পাতনি মেলাৰ পূৰ্বে সমাজ সেৱাৰ বিষয়ে দু-আষাৰমান কোৱা ভাল হ'ব। সমাজ সেৱাৰ অৰ্থ হ'ল দেশ সেৱা। সমাজ বা দেশ সেৱাৰ মনোভাৱ স্বাধীন দেশ এখনৰ প্ৰতি গৰাকী নাগৰিকৰে থকা উচিত। এই সেৱাৰ মাজেৰে বিভিন্ন জাতি বা সম্প্ৰদায়ৰ মাজত মিলা-প্ৰীতি স্থাপন কৰিব পাৰি আৰু আনহাতে ঐক্যৰ এনাজৰীডালো সুদৃঢ় কৰিব পাৰি। সেয়ে সমাজ বা দেশ সেৱা কৰা এটি মহৎ কাম। এনে মহৎ কাম কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে আগবাঢ়ি আহিব লাগে। তেওঁলোকে জনা উচিত যে এনে সেৱা শিক্ষাৰ এক অবিচ্ছেদ্য অঙ্গ। এই সমাজ বা দেশ সেৱাৰ মনোভাৱ থাকিলে তেওঁলোক নিজ দেশৰ কৰ্তব্যৰ প্ৰতি সচেতন হয় আৰু সীমিতভাৱে হলেও সমাজ সেৱাৰ জৰিয়তে দেশখনক প্ৰগতিৰ পথত আগ-বঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাব পাৰে। সেয়ে সমাজ সেৱাৰ মনোভাব ছাত্ৰাৱস্থাৰ পৰাই প্ৰতিগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে গঢ়ি তুলিব লাগে।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়-খনত সমাজ সেৱা সম্পৰ্কীয় কিছু দিশত নতুন পদক্ষেপ লম বুলি ভাবিছিলোঁ। কিন্তু পৰিতাপৰ বিষয় হ'ল এয়ে যে ভবামতে সকলোখিনি কাম সম্পূৰ্ণ হৈ নুঠিল। সি যি কি নহওক এই কথা স্বীকাৰ্য যে মহাবিদ্যালয় সপ্তাহত যি সেৱা আঁচনি হাতত লোৱা হৈছিল তাত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে দেখুৱা পাৰদৰ্শিতা সঁচাকৈ প্ৰশংসনীয় আছিল।

মহাবিদ্যালয়ৰ বছৰেকীয়া আকৰ্ষণীয় উৎসৱ মহাবিদ্যালয় সপ্তাহ উপলক্ষে দুদিন চাফাই কামৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত শৃঙ্খলাবোধ, ধৈৰ্য্য, নিষ্ঠা আৰু সেৱাৰ মনোভাব দেখুৱাবলৈ সমৰ্থ হোৱা ৪০ গৰাকী অংশ গ্ৰহণ-কাৰী ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰি পুৰস্কৃত কৰা হয়। তাৰে ২০ গৰাকী ছাত্ৰ-ছাত্ৰীক বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক/সেৱিকা বুলি বিবেচিত কৰা হয়।

মোৰ কাৰ্যকালছোৱাত সমাজ সেৱা কেৱল মহাবিদ্যালয়ৰ চৌহদত আৰম্ভ কৰি ৰাখিবলগীয়া হয়। আনন্দৰ কথা এয়ে যে মহাবিদ্যালয়ৰ চৌহদত নিৰ্মিত প্ৰস্ৰাৱখানাই ছাত্ৰ-ছাত্ৰীসকলৰ এটা অভাৱ পূৰণ কৰিছে। কিন্তু আনহাতে শৌচাগাৰৰ অভাৱ মন কৰিবলগীয়া। সেয়ে এই প্ৰতিবেদনৰ জৰিয়তে মই কলেজ কৰ্তৃপক্ষক অনুৰোধ কৰোঁ যে এই ক্ষেত্ৰত অনতিপলমে কৰ্তৃপক্ষই বিহিত ব্যৱস্থা ল'ব।

সমাজ সেৱাৰ সম্পাদকৰ গুৰু দায়িত্ব পালন কৰোতে মোক সকলো দিশৰ পৰা দিহা-পৰামৰ্শ দি সহায় কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত দেবেন্দ্ৰ নাথ শৰ্মাদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতিৰ সমূহ সদস্য-সদস্যালৈ তেওঁলোকৰ অকৃত্ৰিম সহায়-সহযোগৰ বাবে মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা থাকিল।

সদৌ শেষত মোৰ কিবা অজানিত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু আমাৰ মহাবিদ্যালয়ৰ উত্তোৰত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

**শ্ৰীপ্ৰতাপ কলিতা**
সম্পাদক,
সমাজ সেৱা বিভাগ।

—:★:—



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই মোৰ কৰ্তব্য আৰু দায়িত্ব পালনত কিমানখিনি সফলতা অৰ্জন কৰিছোঁ সেইটো আপোনালোকৰ বিচাৰ্য। অৱশ্যে মই এইখিনি ক'ব পাৰোঁ যে মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ কৰ্তব্য আৰু দায়িত্ব নিয়াৰিকৈ পালন কৰাত মই চেষ্টাৰ ত্ৰুটি কৰা নাই।

উল্লেখযোগ্য যে বিগত বছৰটিত সম্পাদিকা হিচাপে মোৰ কাৰ্য চলাই নিয়াত ছাত্ৰী জিৰণি কোঠা সম্পৰ্কে কিছু অসুবিধা মই অনুভৱ কৰিছোঁ। সেই অসুবিধা কেইটি মোৰ এই প্ৰতিবেদনৰ জৰিয়তে উল্লেখ কৰি কলেজ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। অসুবিধাখিনি হ'ল—

(ক) প্ৰতি বছৰে বাঢ়ি অহা ছাত্ৰীৰ সংখ্যাৰ তুলনাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাটো যথেষ্ট সৰু।

(খ) আনহাতে জিৰণি কোঠাটো একাষৰীয়া হ'লে ভাল হয়।

আশাকৰোঁ, উক্ত অসুবিধাখিনি আঁতৰ কৰিবলৈ কৰ্তৃপক্ষই যত্নপৰ হ'ব।

মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণি কোঠাৰ খেলসমূহৰ প্ৰতিযোগিতা পতা হয়। প্ৰতিযোগীসকলে উৎসাহ-উদ্দীপনাৰে অনুষ্ঠিত প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰে। অংশ গ্ৰহণ কাৰীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। বঁটা বিতৰণী সভাত বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়।

মোৰ কাৰ্য সুচাৰুৰূপে চলাই নিয়াত মোক বিভিন্ন দিশত পৰামৰ্শ দি সহায় কৰা বাবে তত্ত্বাৱধায়ক অধ্যাপিকা শ্ৰীযুতা ৰুমিতা ফুকন বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে

সমূহ 'ছাৰ', বাইদেউলৈ প্ৰতিবেদনৰ জৰিয়তে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ এই প্ৰতিবেদন শেষ কৰাৰ আগতে কাৰ্যকালৰ প্ৰতিটো মুহূৰ্ত্তত মোলৈ সহায়-সহযোগ আৰু পৰামৰ্শ আগবঢ়োৱা ৰমেনদা, সঞ্জয়, সুনীল, বাপন, নিৰ্মল, খৰ্গধৰ, অৰ্জুন, যোগেশ, ধীৰাজ, সৰীন, বিজন, সুৰেশ আৰু লগতে ৰেৱতী, বীণাপাণি, যুথিকা, মাহেন্দ্ৰী, ৰবিতা, মীনা বাইদেউ, হীৰা, জয়া, মামণি, সন্তোষীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ অজানিতে কৰা কিবা ভুল ত্ৰুটিৰ বাবে তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক প্ৰমুখ্যে প্ৰতি গৰাকী সদস্য-সদস্যালৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

**মিচ্ চিত্ৰা বড়ো**
সম্পাদিকা,
ছাত্ৰী জিৰণি কোঠা।

—:★:—



# আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯৩-৯৪ বৰ্ষৰ মহাবিদ্যালয়ৰ মুখপত্ৰ "জৱাহৰ জ্যোতি"ৰ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি সম্পাদকৰ গুৰু দায়িত্ব লোৱাৰ সুযোগকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আলোচনী এখন ছপা কৰি প্ৰকাশ কৰাৰ গধুৰ দায়িত্ব সৰ্বজনবিদিত। সম্পাদক হিচাপে নিৰ্বাচিত হৈ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত এই গধুৰ দায়িত্ব মই উপলব্ধি কৰিছিলোঁ। সন্দেহ হৈছিল যে এই গধুৰ দায়িত্ব মই সুচাৰুৰূপে পালন কৰিব পাৰিম নে নাই! লগতে মই আৰু সন্দিহান হৈছিলোঁ যে এখন উচ্চমান-বিশিষ্ট আলোচনী মই ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ হাতত তুলি দিব পাৰিম নে নাই! মোৰ সন্দেহ আৰু বাঢ়ি গৈছিল যেতিয়া কেবাখনো জাননী দিয়া সত্বেও লেখক-লেখিকাসকলৰ পৰা পোৱা প্ৰবন্ধপাতিৰ সংখ্যা নিচেই কম আছিল। কিন্তু শেষ মুহূৰ্ত্তত পলমকৈ হ'লেও হাতলৈ অহা প্ৰবন্ধপাতিৰ সংখ্যা অসন্তোষজনক হোৱা নাছিল। অৱশ্যে 'We want quality and not quantity' কথাষাৰে মোক অলপ চিন্তিত কৰি তুলিছিল। সেই চিন্তাৰ ক'লীয়া ডাৱৰ মোৰ মনাকাশৰ পৰা কিছু আঁতৰ হৈছিল যেতিয়া মোৰ পৰম শ্ৰদ্ধাস্পদ শিক্ষাগুৰু শ্ৰীযুত বসন্ত কুমাৰ দত্ত, শ্ৰীযুত লক্ষীকান্ত শৰ্মা, শ্ৰীযুত যতীন মেধি আৰু শ্ৰীযুত মৃগেন শৰ্মাদেৱৰ অশেষ চেষ্টাৰ ফলত কিছু সংখ্যক প্ৰবন্ধপাতি নিৰ্বাচিত হৈছিল আৰু 'জৱাহৰ জ্যোতি'ত প্ৰকাশৰ বাট মুকলি হৈছিল। খৰধৰকৈ হ'লেও আলোচনীখন প্ৰকাশৰ পথলৈ আনি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ হাতত তুলি দিবলৈ পাই মই আনন্দিত হৈছোঁ। অৱশ্যে আলোচনীখনৰ মানদণ্ড কিমান উন্নত হৈছে সেইটো পঢ়ুৱৈ সমাজৰ বিচাৰ্য।

উল্লেখযোগ্য যে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ'ত নিজক ব্যস্ত ৰাখিবলগীয়া হয়। উক্ত 'মহাবিদ্যালয় সপ্তাহ'ত আন আন বছৰৰ দৰে সাহিত্য প্ৰতিযোগিতা এখন পতা হয়। এই প্ৰতিযোগিতাৰ বাবে কবিতা আৰু চুটি গল্পৰ মৌলিক ৰচনা ইচ্ছুক প্ৰতিযোগীসকলৰ পৰা জাননী মৰ্মে আহ্বান কৰা হৈছিল। আহ্বানক্ৰমে কিছু সংখ্যক লিখনি হাতত পৰিছিল। প্ৰতিযোগীসকলৰ ১ম আৰু ২য় স্থান পোৱা লেখকসকলক প্ৰমাণ পত্ৰ

সহ পুৰস্কৃত কৰা হয়। লেখক-লেখিকাসকলৰ সাহিত্য চৰ্চাত ঘূণে ধৰিবলৈ নিদি যাতে তেওঁ-লোকে নিয়মিতভাবে চৰ্চা কৰি থাকে তাকে কামনা কৰোঁ।

মহাবিদ্যালয়ত শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি পালন উপলক্ষে থিতাতে লিখা কবিতা প্ৰতিযোগিতা এখন পতা হয়। উক্ত প্ৰতিযোগিতাত প্ৰতি-যোগীসকলৰ উৎসাহজনক সঁহাৰিয়ে প্ৰতিযোগিতা-খনক সাফল্যমণ্ডিত কৰি তোলে। এইখিনিতে উল্লেখ কৰিব পাৰি যে নৱাগত আদৰণি সভা উপলক্ষে ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ লিখনিৰে এখন প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰা হয়।

'জৱাহৰ জ্যোতি'ৰ সম্পাদনা কাৰ্যত মোক সকলো প্ৰকাৰে দিহা-পৰামৰ্শ দি সহায় কৰা বাবে মোৰ শ্ৰদ্ধাস্পদ শিক্ষাগুৰু তথা তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে বহুমূলীয়া দিহা-পৰামৰ্শেৰে আলোচনীখনৰ প্ৰকাশৰ বাট মুকলি কৰি দিয়াৰ ক্ষেত্ৰত মোক সহায় কৰা বাবে মই তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। আনহাতে আলোচনীখন প্ৰকাশৰ কাৰণে কবিতা, প্ৰবন্ধ-পাতি নিৰ্বাচন কৰি, চাই-মেলি, শুধৰাই দি সেইবোৰ প্ৰকাশৰ উপযোগী কৰি দিয়া বাবে মই মাননীয় শিক্ষাগুৰু শ্ৰীযুত বসন্ত কুমাৰ দত্ত, শ্ৰীযুত লক্ষীকান্ত শৰ্মা, শ্ৰীযুত যতীন মেধি আৰু শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মা দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আকৌ বিভিন্ন দিশত সহায়-সহানুভূতি আগবঢ়োৱা বাবে মাননীয় অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া আৰু অধ্যাপক প্ৰাণেশ্বৰ নাথদেৱলৈ মই কৃতজ্ঞতা জনাইছোঁ।

উল্লেখনীয় যে "জৱাহৰ জ্যোতি"ক প্ৰকাশৰ পথলৈ অনা কাৰ্যত বিভিন্ন প্ৰকাৰে সহায়-সহ-যোগিতা আগবঢ়োৱা বাবে কাৰ্যকৰী সমিতিৰ সকলো সদস্য-সদস্যা প্ৰমুখ্যে আন বন্ধু-বান্ধৱীলৈও মোৰ অকৃত্ৰিম মৰম যাচিছোঁ আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। তদুপৰি জনতা প্ৰেছৰ মাননীয় স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মচাৰীবৃন্দলৈ আলো-চনীখন ছপাই উলিয়াই দিয়া বাবে আমাৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

পৰিশেষত আলোচনীখন উলিওৱাত মোৰ অজানিত কিবা দোষ-ত্ৰুটি থাকিলে তাৰ বাবে ক্ষমা বিচাৰি আৰু "জৱাহৰ জ্যোতি"ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**শ্ৰীবাবুল বড়ো**
সম্পাদক,
'জৱাহৰ জ্যোতি'।

—:★:—

# ১৯৯৩-৯৪ চনৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন প্রতিযোগিতাৰ ফলাফলসমূহ

**খেল-ধেমালি ( ল'ৰাৰ ) :**

১০০ মিটাৰ দৌৰ :

১ম—ব্ৰজেন ৰাভা ( উঃ মাঃ ১ম )
২য়—মধুমিলন পাটোৱাৰী ( উঃ মাঃ ১ম )

২০০ মিটাৰ দৌৰ :

১ম—জয়ন্ত কুমাৰ বড়ো ( উঃ মাঃ ২য় )
২য়—ব্ৰজেন ৰাভা ( উঃ মাঃ ১ম )

৪০০ মিটাৰ দৌৰ :

১ম—জয়ন্ত কুমাৰ বড়ো ( উঃ মাঃ ২য় )
২য় মধুমিলন পাটোৱাৰী ( উঃ মাঃ ১ম )

৮০০ মিটাৰ দৌৰ :

১ম—নৰজিৎ তালুকদাৰ ( স্নাঃ ৩য় )
২য়—নবীন ৰাভা ( উঃ মাঃ ১ম )
৩য়—মধুমিলন পাটোৱাৰী ( উঃ মাঃ ১ম )

১৫০০ মিটাৰ দৌৰ :

১ম—নবীন ৰাভা ( উঃ মাঃ ১ম )
২য়—সুমীত ৰাভা ( উঃ মাঃ ২য় )
৩য়-মৃগেন ৰাভা ( উঃ মাঃ ১ম )

**ৰিলেৰেচ ( ১০০×৪ ) :**

১ম—গোলাপ দাস ( উঃ মাঃ ২য় )
মধুমিলন পাটোৱাৰী ( উঃ মাঃ ১ম )
মৃগেন ৰাভা ( ঐ )
নবীন ৰাভা ( ঐ )

২য়—ব্ৰজেন ৰাভা ( উঃ মাঃ ১ম )
কহিনি গয়াৰী ( স্নাঃ ৩য় )
হামিদ আলী ( স্নাঃ ১ম )
নৰজিৎ তালুকদাৰ ( স্নাঃ ৩য় )

**ৰিলেৰেচ ( ৪০০×৪ ) :**

১ম—ৰঞ্জন ৰাভা ( স্নাঃ ৩য় )
নৰজিৎ তালুকদাৰ ( স্নাঃ ৩য় )
কহিনি গয়াৰী ( ঐ )
কান্তেশ্বৰ ৰাভা ( ঐ )

২য়—জয়ন্ত ৰাভা ( উঃ মাঃ ২য় )
জয়ন্ত কুমাৰ বড়ো ( ঐ )
কমল নয়ন বড়ো ( স্নাঃ ১ম )
দিগন্ত ৰাভা ( ঐ )

**লং জাম্প :**

১ম- মধুমিলন পাটোৱাৰী ( উঃ মাঃ ১ম )
২য়- বীৰেণ কলিতা ( ঐ )

**হাইজাম্প :**

১ম—বীৰেণ কলিতা ( উঃ মাঃ ১ম )
২য়-দীপক ৰাভা ( ঐ )

**ত্ৰিপুল জাম্প :**

১ম—জয়ন্ত কুমাৰ বড়ো ( উঃ মাঃ ২য় )
২য়—আবিদ্ছুৰ ৰহমান ( স্নাঃ ১ম )

**ছট্-পুট :**

১ম— ডালিম ৰাভা ( স্নাঃ ১ম )
২য়—হামিদ আলী ( ঐ )

**জেভেলিন থ্ৰ :**

১ম—ডালিম ৰাভা ( স্নাঃ ১ম )

২য়—দুৰ্গেশ্বৰ ৰাভা ( উঃ মাঃ ১ম )

**ডিচ্‌কাচ থ্ৰ :**

১ম- মদন কলিতা ( উঃ মা ১ম )

২য়—অমৰেন্দ্ৰ ৰাভা ( উঃ মাঃ ২য় )

**পোল ভণ্ট :**

১ম—হামিদ আলী ( স্নাঃ ১ম )

২য়—মৃগেন ৰাভা ( উঃ মাঃ ১ম )

**ভলী বল :**

বিজয়ী দল—স্নাঃ ১ম বাৰ্ষিক

বিজিত দল—স্নাঃ ৩য় বাৰ্ষিক

**ক্ৰিকেট :**

বিজয়ী দল—স্না ১ম বাৰ্ষিক

বিজিত দল—স্নাঃ ২য় বাৰ্ষিক

**Man of the Match :**

বিজয় কুমাৰ ছেত্ৰী ( স্নাঃ ১ম )

**Man of the Series :**

দীপক কুমাৰ ছেত্ৰী ( স্না ২য় )

**Best Bowler :**

বিষ্ণু পডৱাল ছেত্ৰী ( স্নাঃ ১ম )

**বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ :**

মধুমিলন পাটোৱাৰী ( উঃ মাঃ ১ম )

**খেল-ধেমালি ( ছোৱালীৰ ) :**

১০০ মিটাৰ দৌৰ :

১ম—অঞ্জনা ৰাভা ( স্নাঃ ২য় )

২য়—অনুপমা ৰাভা ( উঃ মঃ ১ম )

২০০ মিটাৰ দৌৰ :

১ম অঞ্জনা ৰাভা ( স্নাঃ ২য় )

সুশীলা ৰাভা ( ঐ )

৪০০ মিটাৰ দৌৰ :

১ম—অঞ্জনা ৰাভা ( স্নাঃ ২য় )

২য়— অনুপমা ৰাভা ( উঃ মাঃ ১ম )

**লং জাম্প :**

১ম - অঞ্জনা ৰাভা ( স্নাঃ ২য় )

২য় - সুশীলা ৰাভা ( ঐ )

**জেভেলিন থ্ৰ :**

১ম—মৃণালিনী বৰ্মন ( স্নাঃ ২য় )

২য় অঞ্জনা ৰাভা ( ঐ )

**ডিচ্‌কাচ থ্ৰ :**

১ম—মৃণালিনী বৰ্মন ( স্নাঃ ২য় )

২য়— যুথিকা কাকতি ( ঐ )

**ছুটপুট :**

১ম—যমুনা বড়ো ( স্নাঃ ১ম )

২য়—অঞ্জনা ৰাভা ( স্নাঃ ২য় )

**Blind Hit :**

১ম—বীণাপাণি নাথ ( স্নাঃ ২য় )

ডালিমী গোস্বামী ( স্নাঃ ৩য় )

হীৰামণি দেৱী ( স্নাঃ ২য় )

**Musical Chair :**

১ম—অঞ্জনা ৰাভা ( স্নাঃ ২য় )

২য়—অনুপমা ৰাভা ( উঃ মাঃ ১ম )

**বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ :**

মিচ্ অঞ্জনা ৰাভা ( স্নাঃ ২য় )

**ছাত্ৰ জিৰণি কোঠা :**

কেৰম ( একক ) :

চেম্পিয়ন মতিলাল বসুমতাৰী ( স্নাঃ ৩য় )

ৰাণাৰ্চ আপ সত্যজিৎ তালুকদাৰ ( স্নাঃ ৩য় )

**কেৰম ( দ্বৈত ) :**

চেম্পিয়ন—হেমন্ত কৰ্মকাৰ ( উঃ মাঃ ২য় )
শৈলেন কলিতা ( উঃ মাঃ ২য় )

ৰাণাৰ্চ আপ—সন্দীপ শৰ্মা ( স্নাঃ ১ম )
সঞ্জয় জৈন ( উঃ মাঃ ১ম )

বেডমিণ্টন ( একক ) :

চেম্পিয়ন—ৰমেন কলিতা ( স্নাঃ ২য় )

ৰাণাৰ্চ আপ—সন্দীপ শৰ্মা ( স্নাঃ ১ম )

**বেডমিণ্টন ( দ্বৈত ) :**

চেম্পিয়ন—বিৰিঞ্চি পাঠক ( উঃ মাঃ ২য় )
হিৰণ্য পাঠক ( ঐ )

ৰাণাৰ্চ আপ—সন্দীপ শৰ্মা ( স্নাঃ ১ম )
সত্যজিৎ তালুকদাৰ ( স্নাঃ ৩য় )

**দবা :**

চেম্পিয়ন—খৰ্গেশ্বৰ ৰাভা ( স্নাঃ ৩য় )

ৰাণাৰ্চ আপ—দুলাল চন্দ্ৰ দাস ( ঐ )

**ছাত্ৰী জিৰণি কোঠা :**

কেৰম ( একক ) :

চেম্পিয়ন—বীণাপাণি নাথ ( স্নাঃ ২য় )

ৰাণাৰ্চ আপ—অনুপমা ৰাভা ( উঃ মাঃ ১ম )

বেডমিণ্টন ( একক ) :

চেম্পিয়ন—বীণাপাণি নাথ ( স্নাঃ ২য় )

ৰাণাৰ্চ আপ—ৰেৱতী ৰাভা ( ঐ )

**বেডমিণ্টন ( দ্বৈত ) :**

চেম্পিয়ন—বীণাপাণি নাথ ( স্নাঃ ২য় )
ৰীণা নাথ ( ঐ )

ৰাণাৰ্চ আপ—মনি নাথ ( স্নাঃ ১ম )
দুলুমণি কলিতা ( ঐ )

**ৰিং ( একক ) :**

চেম্পিয়ন—ৰীণা নাথ ( স্নাঃ ২য় )

ৰাণাৰ্চ আপ বীণাপাণি নাথ ( ঐ )

**কইনা প্ৰতিযোগিতা :**

১ম ডালিমী গোস্বামী ( স্নাঃ ৩য় )
২য়—হান্না মাৰাক ( উঃ মাঃ ১ম )
শিল্পী ভদ্ৰ ( ঐ )

**চিলাই প্ৰতিযোগিতা :**

১ম—বিজুলী অধিকাৰী ( স্নাঃ ১ম )
২য়—সুভদ্ৰা দাস ( ঐ )

**পিঠা প্ৰতিযোগিতা :**

১ম—তাহিৰা বেগম ( উঃ মাঃ ১ম )
ববিতা শৰ্মা ( স্নাঃ ১ম )
২য়—বিজুলী অধিকাৰী ( স্নাঃ ১ম )
মৃণালিনী বৰ্মন ( স্নাঃ ২য় )
তুলিকা বড়ো ( স্নাঃ ১ম )

**দবা প্ৰতিযোগিতা :**

চেম্পিয়ন—যুথিকা কাকতি ( স্নাঃ ২য় )

ৰাণাৰ্চ আপ—দুলুমণি কলিতা ( স্নাঃ ১ম )

**পুষ্প সজ্জা :**

১ম—হান্না মাৰাক ( উঃ মাঃ ১ম )
২য়—যুথিকা কাকতি ( স্নাঃ ২য় )
অখিল দৈমাৰী ( ঐ )